# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন সন্দৰ্ভত আলোচনা।

২। অসম চুক্তিৰ আধাৰত যোৱা ৩১ জানুৱাৰী পৰ্যন্ত ৰাজ্যত ১ লাখ ৬৫ হাজাৰ ৯৯২ জন লোকক বিদেশী হিচাপে চিনাক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাজ্য চৰকাৰে বিভিন্ন পদ পূৰণৰ বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ কাইলৈৰ পৰা পৰ্যায়ক্ৰমে ঘোষণা।

৪। বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাৰ্যসূচী গ্ৰহণ। *আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফীৰ প্ৰথমখন ছেমিফাইনেলত কাইলৈ ভাৰত অষ্ট্ৰেলিয়াৰ মুখামুখি।

ooooo

অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন সন্দৰ্ভত আলোচনা কৰা হয়। বিধায়ক মানৱ ডেকাই উত্থাপন কৰা এই সম্পৰ্কীয় প্ৰস্তাৱটোত অধ্যক্ষই আলোচনাৰ বাবে গ্ৰহণ কৰে। শাসক আৰু বিৰোধী দলৰ কেইবাগৰাকীও সদস্যই এই আলোচনাত অংশগ্ৰহণ কৰি অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ২০১৪ বৰ্ষৰ নিযুক্তি সন্দৰ্ভত হোৱা কেলেংকাৰী আৰু ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন সম্পৰ্কত বিভিন্ন প্ৰসংগ উত্থাপন কৰে। বিধায়ক অখিল গগৈয়ে বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন ৰূপায়ণ কৰাত ৰাজ্য চৰকাৰৰ আগ্ৰহ নাই বুলি চৰকাৰৰ সমালোচনা কৰে।

আলোচনাৰ উত্তৰ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম লোকসেৱা আয়োগৰ মূল সমিতি গঠন সন্দৰ্ভত বিস্তৃতভাৱে প্ৰকাশ কৰি ৰাকেশ পালক লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়াৰ বিভিন্ন তথ্য দাঙি ধৰে। মুখ্যমন্ত্ৰীয়ে ৰাকেশ পালক অসম লোকসেৱা আয়োগৰ অধ্যক্ষৰূপে নিযুক্তি দিয়াৰ বাবে কংগ্ৰেছ দলে অসমৰ যুৱশক্তিৰ ওচৰত স্বৰ্তবিহীন ক্ষমা-ভিক্ষা কৰিব লাগে বুলি মন্তব্য কৰে। কংগ্ৰেছ দলে দুৰ্নীতিৰ সুযোগ বিচাৰি থাকে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লোকসেৱা আয়োগত অধ্যক্ষ নিযুক্তিৰ ক্ষেত্ৰত দলটোৱে বাৰে বাৰে একে অপৰাধ কৰি আহিছিল বুলি অভিযোগ কৰে। তেওঁ লগতে অখিল গগৈয়ে কংগ্ৰেছৰ দুৰ্নীতিক নায্যতা প্ৰদান কৰিছে বুলিও অভিযোগ তোলে। ইপিনে, দুৰ্নীতিক প্ৰশ্ৰয় নিদি এ পি এছ চিৰ অনিয়মৰ বিৰুদ্ধে তদন্ত কৰাৰ সাহসী সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰতি সদনে কৃতজ্ঞতা জনোৱা উচিত বুলি মুখ্যমন্ত্ৰী শৰ্মাই মন্তব্য কৰে। দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অসমত লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু সহযোগী সদস্যসকলক গ্ৰেপ্তাৰ কৰা হয় বুলি উল্লেখ কৰি ড০

শৰ্মাই কয় যে, বৰ্তমানৰ চৰকাৰ দিনত যিদৰে স্বচ্ছ নিযুক্তি প্ৰদান কৰা হৈছে, ইয়াৰ পৰিৱৰ্তে কংগ্ৰেছ শাসনৰ সময়ত নিযুক্তিৰ তালিকাত মন্ত্ৰীৰ আত্মীয়স্বজনৰ নামহে অন্তৰ্ভুক্ত আছিল। ......... **ৰাইট**

ইয়াৰ পূৰ্বে ৯ দিনৰ বিৰতিৰ মূৰত দিছপুৰত আজি পুনৰ অনুষ্ঠিত হোৱা অসম বিধানসভাত পুৱাৰ ভাগত প্ৰশ্ন-উত্তৰেৰে সদনৰ কাৰ্যসূচী আৰম্ভ হয়। অধিৱেশনত আজি ৭টা প্ৰশ্ন উত্থাপন কৰা হয়। অধিৱেশনৰ আৰম্ভণিতে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক নগাঁৱৰ ৰাজপথত আক্ৰমণ কৰা সন্দৰ্ভত কংগ্ৰেছে সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। কংগ্ৰেছৰ বিধায়ক ৰাজেদ আলী চৌধুৰীয়ে এই আক্ৰমণৰ ঘটনাৰ তদন্ত কিধৰণে আগবাঢ়িছে, সেই বিষয়ে প্ৰশ্ন কৰে। তেওঁ চৰকাৰে এই সন্দৰ্ভত কেতিয়া বিবৃতি প্ৰদান কৰিব সেই সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। সেই অনুসৰি সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এটা বিবৃতি সদনত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এই ঘটনাৰ তদন্ত মধ্য অসমৰ আৰক্ষী মহা পৰিদৰ্শকৰ হাতত ন্যস্ত কৰা হৈছে বুলি অৱগত কৰে। চৰকাৰে নিৰাপত্তাৰ ক্ষেত্ৰত কোনোধৰণৰ আপোচ নকৰে বুলিও মন্ত্ৰী শ্ৰী পাটোৱাৰীয়ে সদনক জনায়। চৰকাৰৰ এই উত্তৰত বিৰোধী দল সন্তুষ্ট নোহোৱাত এই বিষয়টো লৈ তেওঁলোকে পুনৰ প্ৰতিবাদ কৰে। বিৰোধীয়ে তোলা সভাস্থগিত প্ৰস্তাৱত অনুমতি দিব নোৱাৰে বুলি অধ্যক্ষই প্ৰকাশ কৰে। লগে লগে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ আৰু চি পি আই এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে অধ্যক্ষৰ আসনৰ ওচৰলৈ গৈ তেওঁলোকৰ দাবীসমূহ উত্থাপন কৰিবলৈ ধ্বনি দিয়ে। অধ্যক্ষই এই দাবী অগ্ৰাহ্য কৰি বিদ্যাচিং ইংলেঙক শূন্যকালত বিষয়টো উত্থাপন কৰিবলৈ কয়। শ্ৰী ইংলেঙে বিষয়টো উত্থাপন কৰে যদিও সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। বিধায়ক কমলাক্ষ দে পুৰকায়স্থৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয়, যে অসমৰ থানাসমূহত ৰুজু হৈ থকা ১৭ হাজাৰ ৯০০ৰো অধিক গোচৰ নিষ্পত্তি কৰা হৈছে আৰু ১৩ হাজাৰৰো অধিক গোচৰ নিষ্পত্তি কৰিবলৈ বৰ্তমান বাকী আছে। ইয়াৰ পাছতে কংগ্ৰেছ, চি পি আই এম আৰু ৰাইজৰ দলে সদন ত্যাগ কৰে।

ooooo

অসম চুক্তিৰ আধাৰত যোৱা ৩১ জানুৱাৰী পৰ্যন্ত ৰাজ্যখনত ১ লাখ ৬৫ হাজাৰ ৯৯২ জন লোকক বিদেশী হিচাপে চিনাক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধানসভাত প্ৰকাশ কৰে। বিধায়ক আব্দুল বাতিন খণ্ডকাৰৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে এই কথা সদৰি কৰে। তেওঁ কয়, যে বিদেশী ন্যায়াধীকৰণলৈ সৰ্বমুঠ ২ লাখ ৪৪ হাজাৰ ১৪৪ ডি-ভোটাৰ সংক্ৰান্তিয় গোচৰ প্ৰেৰণ কৰা হৈছে আৰু ইয়াৰে ১ লাখ ৫৪ হাজাৰ ৮১৮টা গোচৰ নিষ্পত্তি কৰা হৈছে। তদুপৰি অসম চুক্তিৰ আধাৰত চিনাক্ত কৰা ৩০ হাজাৰ ১১৫ জন বিদেশীক বহিষ্কাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ৰাজ্যখনৰ ডিটেনশ্বন শিবিৰসমূহত অবৈধ বিদেশীৰ সন্দেহত ২৫৮ জন লোকক আবদ্ধ কৰি ৰখা হৈছে। ইয়াৰ ভিতৰত ৩০ গৰাকী ৩০ গৰাকী ব্যক্তিক নিজ দেশলৈ ঘূৰাই পঠিওৱা হৈছে আৰু ৮১ গৰাকীক উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে ট্ৰেনজিত কেম্পৰ পৰা মুকলি কৰি দিয়া হৈছে। বিধানসভাত আজি বিধায়ক নুৰুল হুডাৰ এটা প্ৰশ্নৰ উত্তৰত গৃহ বিভাগৰ হৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে ৩ বছৰৰ চৰ্ত সাপেক্ষে ২৭৩ জনক আৰু দুবছৰৰ চৰ্ত সাপেক্ষে ৫২৭ জন লোকক জামিনত মুকলি কৰি দিয়া হৈছে। এই লোকসকল স্থানীয় আৰক্ষী থানাত সাপ্তাহিক উপস্থিতি দিয়াৰ সময়ত কোনোধৰণৰ সমস্যাৰ সন্মুখীন হোৱাৰ তথ্য নাই বুলিও মুখ্যমন্ত্ৰীয়ে বিধায়কগৰাকীৰ প্ৰশ্নৰ উত্তৰত প্ৰকাশ কৰে। ডিটেনশ্বন শিবিৰত থকা লোকসকলক নিম্নমানৰ খাদ্যৰ যোগান দিয়া বুলি উত্থাপিত অভিযোগ সম্পৰ্কীয়

প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে এই লোকসকলক অসম কাৰাগাৰ বিধি অনুসৰি খাদ্যৰ যোগান ধৰা হয় আৰু নিম্নমানৰ খাদ্যৰ যোগান দিয়াটো সত্য নহয় বুলি উল্লেখ কৰে।

ooooo

ৰাজ্য চৰকাৰে বিভিন্ন পদ পূৰণৰ বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ কাইলৈৰ পৰা পৰ্যায়ক্ৰমে ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে কাইলৈ প্ৰথমটো নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। কাইলৈ অসম আৰক্ষীৰ গাড়ীচালকৰ  পদত নিযুক্তি দিয়াৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। একেদৰে অহা ৬ মাৰ্চত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক পদৰ আৰু ৭ মাৰ্চত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। পৰৱৰ্তী পৰ্যায়ত ১২ মাৰ্চত অসম আৰক্ষীৰ কনিষ্টবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কমাণ্ডো বেটেলিয়ানৰ কনিষ্টবল পদৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

আজি বিশ্ব বন্যপ্ৰাণী দিৱস। এই দিৱসৰ সৈতে সংগতি ৰাখি গুজৰাটৰ জুনাগড় জিলাৰ ছাছন গীৰত আয়োজিত এটা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধ্যক্ষতা কৰে। এই উপলক্ষে অনুষ্ঠিত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ সপ্তমখন বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ভূপেন্দ্ৰ যাদৱৰ লগতে ভিন ভিন ৰাজ্যৰ সদস্য, বন্যপ্ৰাণী সংৰক্ষণৰ সৈতে জড়িত বেচৰকাৰী সংস্থাৰ প্ৰতিনিধি, ৰাজ্যসমূহৰ মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেন আৰু সচিবসকলেও অংশগ্ৰহণ কৰে।

অসমতো আজি বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ উদ্দেশ্যে কাৰ্যসূচী লোৱা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই দিৱস উপলক্ষে দিয়া বাৰ্তাত বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত অসম গুৰুত্বসহকাৰে অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰে। তেওঁ কয় যে, বন্যপ্ৰাণীৰ আভাসভূমিৰ সম্প্ৰসাৰণ, চোৰাং চিকাৰীৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি, বন সুৰক্ষাৰ বাবে বিশেষ বাহিনী গঠন, পশু চিকিৎসাৰ বাবে বিশেষ ক্লিনিক, বন্যপ্ৰাণী সংৰক্ষণৰ বাবে বাজেটত অধিক আৱণ্টন আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত প্ৰয়োজনীয় যতনৰ লেখীয়া কেইবাটাও পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিছে।

বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি এই দিৱস উপলক্ষে দিয়া বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্ব আৰু বন্যপ্ৰাণী সুৰক্ষাৰ বাবে গ্ৰহণ কৰা নীতিৰ ফলস্বৰূপে বিগত দশকত বাঘ, গঁড় আদিৰ সংখ্যা বৃদ্ধি পাইছে বুলি উল্লেখ কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব বন্যপ্ৰাণী দিৱস উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। যোৰহাট জিলাৰ ১ নম্বৰ বামুণগাঁৰৰ নলকটা প্ৰাথমিক বিদ্যালয়ত আজি উলহ-মালহেৰে দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত ড০ নিলোৎপল মহন্তই প্ৰস্তুত কৰা এটা দৃশ্য-শ্ৰব্য অনুষ্ঠানো পৰিৱেশন কৰা হয়।

ooooo

যুৱ শক্তি আমাৰ দেশৰ মহা শক্তি আৰু এই যুৱ শক্তিয়ে শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতিৰ জৰিয়তে এখন সুস্থ-সবল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিব লাগিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৫৬ সংখ্যক বিশ্ববিদ্যালয় সপ্তাহত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। শ্ৰী সোণোৱালে কয়, যে বৰ্তমান সময়ত নিজৰ পৰিচয় আৰু স্থিতিক বিশ্বৰ প্ৰেক্ষাপটত দাঙি ধৰিবলৈ শিক্ষা, গৱেষণা, সংস্কৃতি, ক্ৰীড়া আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত  সফলতা লাভ

কৰিবৰ বাবে যুৱক-যুৱতীসকলে চেষ্টা কৰিব লাগিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জ্ঞান অন্বেষণৰ সমান্তৰালকৈ সৃষ্টিশীলতা আৰু উদ্ভাৱনৰ দিশত গুৰুত্ব দি নিজৰ সুপ্ত প্ৰতিভাৰ বিকাশেৰে দেশৰ প্ৰগতিৰ অনিৰুদ্ধ যাত্ৰাক শক্তিশালীৰূপত আগুৱাই নিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

*(বাইট ঃ সৰ্বানন্দ সোণোৱাল)*

আজিৰ অনুষ্ঠানত প্ৰখ্যাত এথলিট পি টি ঊষা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জিতেন হাজৰিকা, পঞ্জীয়ক পৰমানন্দ সোণোৱাল, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেই অনাৱশ্যকভাৱে ৰে'ল গাড়ীৰ চেইন টানি ৰে'ল গাড়ী ৰখোৱাৰ অপৰাধত ২০২৪ বৰ্ষত দুহেজাৰ ১০৫ টা ঘটনা ধৰ পেলায় আৰু দুহেজাৰ ১১২ জন লোকক কৰায়ত্ব কৰে। এই লোকসকলৰ পৰা জৰিমনাৰ বাবদ ৮ লাখ ৩৭ হাজাৰ টকা সংগ্ৰহ কৰা হয়। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ এখন বিজ্ঞপ্তিত এই কথা প্ৰকাশ কৰি কোৱা হৈছে যে, এই বছৰৰ প্ৰথম দুমাহত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অধীনত মুঠ ১৯৬টা অনাৱশ্যক চেইন টনা ঘটনা পঞ্জীয়ন কৰা হয় আৰু ২০৪ জন লোকৰ পৰা ৯০ হাজাৰৰো অধিক টকাৰ জৰিমণা আদায় কৰা হয়।

যাত্ৰীবাহী ৰে'লগাড়ী এলাৰ্ম ছেইনৰ অপব্যৱহাৰে ৰে'লৰ সময়ানুৱৰ্তিতাৰ ওপৰত প্ৰভাৱ পেলায় আৰু ইয়াৰ ফলত বিভাগটো লোকচানৰ সন্মুখীন হয়। অনাৱশ্যকভাৱে ৰে'লৰ চাইন টনাতো ৰে'ল আইনৰ ১৪১ ধাৰাৰ অধীনত এটা দণ্ডনীয় অপৰাধ আৰু ইয়াৰ শাস্তি গ্ৰেপ্তাৰ অথবা জৰিমনা বা উভয়ে হ'ব পাৰে বুলি বিজ্ঞপ্তিখনত কোৱা হৈছে।

ooooo

পৰীক্ষাত অনিয়মক লৈ ৰুজু হোৱা গোচৰ সংক্ৰান্তত গ্ৰেপ্তাৰ হোৱা ইউ এছ টি এমৰ স্বত্বাধিকাৰী মহবুবুল হকৰ জামিন আবেদন আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে মঞ্জুৰ কৰিছে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে সকলো পক্ষৰ অধিবক্তাৰ যুক্তি শুনাৰ পাছত অভিযুক্ত হকৰ জামিন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে পৰীক্ষাত অনিয়ম সন্দৰ্ভত শ্ৰীভূমি জিলাৰ পাথাৰকান্দি আৰক্ষীয়ে হকক গুৱাহাটীৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। অৱশ্যে অভিযুক্তগৰাকীৰ বিৰুদ্ধে ৰুজু হোৱা আন এটা গোচৰৰ শুনানী কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত গ্ৰহণ কৰা হ'ব।

ooooo

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন, প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ ৪ হাজাৰ ৫০০টা পদৰ বাবে অনলাইন আবেদনৰ তাৰিখ পুনৰ সলনি কৰিছে। পূৰ্বে এই প্ৰক্ৰিয়া আজি আৰম্ভ হোৱাৰ কথা আছিল। আজি প্ৰাথমিক শিক্ষা সঞ্চালকে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ৮ মাৰ্চৰ পৰা ৮ এপ্ৰিললৈ প্ৰাৰ্থীসকলে এই পদসমূহৰ বাবে অনলাইন আবেদন কৰিব পাৰিব। সঞ্চালকালয়ে প্ৰাথমিক বিদ্যালয়ত দুহেজাৰ ৯০০টা আৰু উচ্চ প্ৰাথমিকৰ এহেজাৰ ৬০০টা শিক্ষক পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। এই বিজ্ঞাপন অনুসৰি প্ৰাৰ্থীসকলে বিভাগীয় ৱেবছাইটৰ জৰিয়তে অনলাইন আবেদন কৰিব পাৰিব।

ooooo

ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদীয় নিৰ্বাচনৰ বাবে কামৰূপ জিলাৰ অন্তৰ্গত পৰিষদীয় সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা কালি প্ৰকাশ কৰা হয়। যোৱা ১ জানুৱাৰীত প্ৰকাশিত অসম বিধানসভা সমষ্টিৰ ভোটাৰ

তালিকাক ভিত্তি হিচাপে লৈ প্ৰকাশ কৰা এই চূড়ান্ত ভোটাৰ তালিকা অনুসৰি জিলাখনত ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদীয় সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে এক লাখ ৯০ হাজাৰ ৯৪২। ইয়াৰে ৯২ হাজাৰ ৯২২ গৰাকী পুৰুষ আৰু ৯৮ হাজাৰ ২০ গৰাকী মহিলা ভোটাৰ।

০০০০০

অসম পশুপালন আৰু পশু চিকিৎসা সেৱা সন্থাৰ নতুন কেন্দ্ৰীয় সমিতি যোৱা পহিলা মাৰ্চত কাৰ্যভাৰ গ্ৰহণ কৰে। গুৱাহাটীৰ চেনিকুঠিৰ পশুপালন আৰু পশু চিকিৎসা সঞ্চালকালয়ৰ তথ্য আৰু প্ৰদৰ্শনী শাখাত আয়োজিত অনুষ্ঠানত শপতগ্ৰহণেৰে সমিতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰে। সেইদিনাই নৱগঠিত সমিতিৰ কাৰ্যনিৰ্বাহক সভাখনো অনুষ্ঠিত হয়। উল্লেখযোগ্য যে যোৱা ২৮ জানুৱাৰীৰ পৰা ৩০ জানুৱাৰীলৈ তেজপুৰত অনুষ্ঠিত সন্থাৰ ৩৫ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনত ডাঃ অৱনী কুমাৰ চৌধুৰীক সভাপতি আৰু ডাঃ কংকন কলিতাক সম্পাদক হিচাপে লৈ ২০২৫-২৭ বৰ্ষৰ বাবে কেন্দ্ৰীয় সমিতিখন গঠন কৰা হৈছিল।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ ডুবাইত হ'বলগীয়া প্ৰথমখন ছেমিফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। যোৱা নিশা ডুবাইত অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত ভাৰতে-নিউজিলেণ্ডক ৪৪ ৰাণত পৰাস্ত কৰে। এই বিজয়েৰে গ্ৰুপ এত থকা ভাৰতে আটাইকেইখন মেচত জয়লাভ কৰি গ্ৰুপৰ শীৰ্ষস্থান অধিকাৰ কৰে। নিউজিলেণ্ডে অহা বুধবাৰে লাহোৰত গ্ৰুপ বিৰ বিজয়ী দল দক্ষিণ আফ্ৰিকাৰ সৈতে দ্বিতীয়খন ছেমিফাইনেলত অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত